
M5V9D4

মনুহঁতৰ বাগিচা



মনু আৰু ৰাণুহঁতৰ ঘৰখন চালে চকুৰোৱা। ফলে-ফুলে জাতিষ্কাৰ। ঘৰৰ সকলোৱে গছ-বনৰ যতন লয়। এদিন বন্ধৰ দিনত দেউতাকে তেওঁলোকৰ বাগিচাত ৰুবৰ বাবে ১৫৪ জোপা নাৰ্জী, ১৬৫ জোপা বেলিফুল, ১২৩ জোপা জিনিয়া আৰু ১৫৬ জোপা কচ্‌মচ্‌ ফুলৰ পুলি ৰুবৰ বাবে আনিলে। মাক, মনু আৰু ৰাণুৱে চহ কৰা মাটিত পুলিবোৰ শাৰী শাৰীকৈ ৰুবলৈ ধৰিলে। দিনটোৰ শেষত কিছুমান পুলি ৰুবলৈ বাকী থাকিল। মনুৱে ৰুই যোৱা পুলিবোৰত অলপ অলপকৈ পানী দিলে। মাক, মনু আৰু ৰাণুৱে কিমান পুলিনো ৰুবলৈ বাকী থাকিল হিচাপ কৰিলে। এতিয়া ৰুৱা পুলিৰ সংখ্যাবোৰ চাওঁ আহাচোন।

| ফুলৰ নাম | মুঠ সংখ্যা (জোপা) | ৰুবলৈ বাকী থকা (জোপা) | ৰোৱা পুলিৰ সংখ্যা (জোপা) |
|---|---|---|---|
| নাৰ্জী | ১৫৪ | ৪৩ | ১৫৪-৪৩ = ১১১ |
| বেলিফুল | ১৬৫ | ৫৪ | ১৬৫-৫৪ = ............ |
| জিনিয়া | ১২৩ | ১১২ | ১২৩-১১২= ............ |
| কচ্‌মচ্‌ | ১৫৬ | ৩০ | ১৫৬-৩০ = ............ |

আগৰ পৃষ্ঠাৰ তালিকাত থকা সমস্যাবোৰ সমাধান কৰি তালিকাখন পূৰ কৰোঁ আহা

**প্ৰথম সমস্যাৰ সমাধান**

নাৰ্জী ফুলৰ পুলি আছিল = ১৫৪ টা

ৰুবলৈ বাকী থকা ফুলৰ পুলি = ৪৩ টা

ৰোৱা ফুলৰ পুলিৰ সংখ্যা = ১১১ টা

**সৰলকৈ কৰোঁ আহা**

১৫৪ = ১ শ ৫ দহ ৪ এক

(-) ৪৩ = ০ শ ৪ দহ ৩ এক

১১১ = ১ শ ১ দহ ১ এক

**নিজে কৰা**


বেলি ফুলৰ পুলি কেইটা ৰুলে?



জিনিয়া ফুলৰ পুলি কেইটা ৰুলে?



কচ্‌মচ্‌ ফুলৰ পুলি কেইটা ৰুলে?



**বিয়োগ কৰোঁ আহা**

(ক) ১৩৫ − ২৪

(খ) ১৪৭ − ১১

(গ) ১৫৪ − ৪১

(ঘ) ১৬৬ − ২২

(ঙ) ১৭২ − ৬০

(চ) ২১০ − ১০০

(ছ) ১৭৪ − ৫৩

(জ) ২৩৪ − ২২

**নাৰ্চাৰীত এদিন**

মনু আৰু ৰাণুহঁতৰ ঘৰত এখন নাৰ্চাৰীও আছে। ইয়াত বিভিন্ন ধৰণৰ ফুলৰ পুলি আছে। এইবোৰ তেওঁলোকে বিক্ৰীও কৰে। মনু আৰু ৰাণুৰ দেউতাকে তেওঁলোকৰ নাৰ্চাৰীৰ পৰা কি কি ফুলৰ পুলি কিমান বেচিলে আৰু কিমান থাকি গ'ল চাওঁ আহা -

| ফুলৰ পুলি | আছে | বেচিলে | বাকী থাকিল |
|---|---|---|---|
| গোলাপ ফুল | ১৩৫ টা | ১১৭ টা | ১৩৫ - ১১৭ = ☐ টা |
| তগৰ ফুল | ১৩৬ টা | ১১৭ টা | ১৩৬ - ১১৭ = ☐ টা |

**সমস্যাৰ সমাধান কৰোঁ আহা**

**গোলাপ ফুলৰ পুলি কেইটা বাকী থাকিল?**

**প্ৰথম স্তৰ ঃ**

সংখ্যা দুটা একক, দহক, শতক মতে লিখা

| | | শ | দ | এ | |
|---|---|---|---|---|---|
| গোলাপ ফুলৰ পুলি আছিল | | ১ | ৩ | ৫ | টা |
| গোলাপ ফুলৰ পুলি বেচিলে | - | ১ | ১ | ৭ | টা |
| | | | | | টা |

**দ্বিতীয় স্তৰ ঃ**

এককৰ ঘৰৰ ৫ এককৰ পৰা ৭ একক বিয়োগ কৰিব নোৱাৰি। গতিকে দহকৰ ঘৰৰ ৩ দহকৰ পৰা ১ দহক এককৰ ঘৰলৈ আনিব লাগিব। তেতিয়া দহকৰ ঘৰত থাকিব ৩ দহক - ১ দহক = ২ দহক আৰু এককৰ ঘৰত আমি পাম ১ দহক = ১০ একক আৰু এককৰ ঘৰৰ ৫ একক মিলি হ'ব ১০ একক + ৫ একক = ১৫ একক

| | | শ | দ | এ | |
|---|---|---|---|---|---|
| | | | ② | | |
| গোলাপ ফুলৰ পুলি আছিল | | ১ | ~~৩~~ | ①৫ | টা |
| গোলাপ ফুলৰ পুলি বেচিলে | - | ১ | ১ | ৭ | টা |
| | | | | ৮ | টা |

সেয়ে ১৫ একক - ৭ একক = ৮ একক।

**তৃতীয় স্তৰ ঃ**

এইবাৰ দহকৰ ঘৰৰ অংকবোৰৰ মাজত বিয়োগ কৰিলে পাওঁ। ২ দহক - ১ দহক = ১ দহক।

| | | শ | দ | এ | |
|---|---|---|---|---|---|
| | | | ② | | |
| গোলাপ ফুলৰ পুলি আছিল | | ১ | ~~৩~~ | ①~~৫~~ | টা |
| গোলাপ ফুলৰ পুলি বেচিলে | - | ১ | ১ | ৭ | টা |
| | | | ১ | ৮ | টা |

**চতুৰ্থ স্তৰ ঃ**

আকৌ শতকৰ ঘৰৰ অংকবোৰৰ মাজত বিয়োগ কৰিলে পাওঁ। ১ শতক - ১ শতক = ০ শতক

| | | শ | দ | এ | |
|---|---|---|---|---|---|
| | | | ② | | |
| গোলাপ ফুলৰ পুলি আছিল | | ১ | ~~৩~~ | ①৫ | টা |
| গোলাপ ফুলৰ পুলি বেচিলে | - | ১ | ১ | ৭ | টা |
| গোলাপ ফুলৰ পুলি বাকী থাকিল | | | ১ | ৮ | টা |

**অৰ্থাৎ বাকী থকা গোলাপ ফুলৰ পুলি হ'ল ১৩৫ - ১১৭ = ১৮ টা**

এতিয়া তগৰ ফুলৰ পুলি কিমান বাকী থাকিল, নিজে কৰি চোৱা।

## মুঠা খুলি বিয়োগ কৰোঁ আহা

**১২৪- ৭৫ = ?**

**১ম কাম ঃ** মুঠা আৰু কাঠীৰে ১২৪ সংখ্যাটো সজোৱা

১২৪ = ১ শ ২ দহ ৪ এক



মুঠা আৰু কাঠীৰে ৭৫ সংখ্যাটো সজোৱা

৭৫ = ৭ দহ ৫ এক




আমি ১২৪ৰ পৰা ৭৫ বিয়োগ কৰিব লাগে। অৰ্থাৎ এটা ১০০ ৰ মুঠা, ২টা দহৰ মুঠা আৰু ৪ ডাল খোলা কাঠীৰ পৰা ৭টা দহৰ মুঠা আৰু ৫ ডাল খোলা কাঠী বিয়োগ কৰিব লাগিব।

**২য় কাম ঃ এককৰ ঘৰৰ বিয়োগ**

৪ ডাল খোলা কাঠীৰ পৰা ৫ ডাল খোলা কাঠী বিয়োগ কৰিব নোৱাৰি। সেয়ে দুটা দহৰ মুঠাৰ পৰা এটা মুঠা খুলিব লাগিব। তাত দহৰ মুঠা থাকিব ২ দহৰ মুঠা- ১ দহৰ মুঠা = ১ দহৰ মুঠা

দহৰ মুঠাটো খুলিলে পাম




১০ ডাল খোলা কাঠী

এই ১০ ডাল কাঠীৰ লগত ৪ ডাল কাঠী লগ লগালে পাম



মুঠ ১৪ ডাল খোলা কাঠী

১৪ ডাল খোলা কাঠীৰ পৰা ৫ ডাল খোলা কাঠী আঁতৰালে পাম ১৪-৫= ৯ ডাল খোলা কাঠী



**৩য় কাম ঃ (দহকৰ ঘৰৰ বিয়োগ)**

দহৰ মুঠা আছিল ২টা। তাৰে এটা মুঠা খুলিলে এতিয়া থাকিব (২-১) = ১টা দহৰ মুঠা। এতিয়া ১টা দহৰ মুঠাৰ পৰা আঁতৰাব লাগিব ৭টা দহৰ মুঠা। কিন্তু ১টা মুঠাৰ পৰা ৭টা মুঠা আঁতৰাব নোৱাৰি। সেয়েহে এশৰ মুঠাটো খুলিব লাগিব। তেতিয়া শতকৰ ঘৰত ০ টা মুঠা থাকিব।


এতিয়া ১০০ৰ মুঠাটো খুলিলে পাম 

১০টা দহৰ মুঠা

১০টা দহৰ মুঠা আৰু ১টা দহৰ মুঠা মিলি মুঠতে ১১টা দহৰ মুঠা হ'ব



এতিয়া ১১টা দহৰ মুঠাৰ পৰা ৭টা দহৰ মুঠা আঁতৰালে পাম ১১ দহ -৭ দহ = ৪ টা দহৰ মুঠা



**৪ৰ্থ কাম ঃ (শতকৰ ঘৰৰ বিয়োগ)**

এতিয়া শতকৰ ঘৰত ০টা মুঠা আছে

**গতিকে ১২৪-৭৫ = ৪৯ (৪টা দহৰ মুঠা আৰু ৯ ডাল খোলা কাঠী)**

**বিয়োগ কৰোঁ আহা - (মুঠা আৰু কাঠী ব্যৱহাৰ কৰি)**

(ক)
২ ৪ ০
- ৩ ৭
________

(খ)
১ ৪ ৫
- ৩ ৮
________


(গ)
২ ৩ ৪
- ১ ২ ৯
________

(ঘ)
৩ ৬ ৮
- ২ ৪ ৯
________


(ঙ)
৪ ৮ ৭
- ৩ ৬ ৮
________

(চ)
৬ ৩ ০
- ৫ ২ ৯
________

## সমস্যা সমাধান কৰোঁ আহা



- কাজিৰঙাত গঁড় আছিল ৩১০টা। বানপানীৰ সময়ত ১২০টা গঁড় কাৰ্বি আংলং পাহাৰলৈ গুচি গ'ল। কাজিৰঙাত গঁড় কেইটা বাকী থাকিল?



- ৰুণুৰ হাতত ১০০ চেণ্টিমিটাৰ কাপোৰ আছিল। তাই পুতলাৰ ফ্ৰকৰ বাবে ৫৫ চেণ্টিমিটাৰ কাপোৰ ল'লে। ৰুণুৰ হাতত কিমান চেণ্টিমিটাৰ কাপোৰ বাকী থাকিল?



- নাহৰে বাৰীৰ পৰা ২২০টা জামু পাৰি বজাৰলৈ নিছিল। তাৰে ১৯২টা বেচিলে। তেওঁৰ হাতত কেইটা জামু বাকী থাকিল?



- নাজমা, চন্দ্ৰা আৰু তৰালিয়ে মালা গাঁঠিবলৈ জবা ফুল আনিছিল ২৪০ পাহ। তাৰে ২১৬ পাহ ফুলেৰে মালা গাঁঠিলে। কেইপাহ জবা ফুল ৰৈ গ'ল।



- চামেলিৰ মাকে চাহপাত তুলি ৫৭০ টকা পালে। চামেলিৰ বাবে ক্লিপ আৰু ৰঙা ফিটা, নেইল পলিচ, ফ্ৰক এটা, মুড়িৰ লাৰু কিনোতে খৰচ হ'ল ২২০ টকা। তেওঁৰ হাতত কিমান টকা জমা থাকিল?



- মনবৰৰ ম'হৰ খুঁটিত ম'হ আছিল ৩২৫ টা। তাৰে তেওঁ ১৩৭ টা ম'হ বেচিলে। খুঁটিত ম'হ কেইটা থাকিল?

## দেওবাৰে এদিন

এদিন দেওবাৰে ৰংমন ককায়ে ২৪০টা কঁঠাল হাটলৈ নিলে। তাৰে ১৭০টা তেওঁ বেচিলে। এতিয়া তেওঁৰ হাতত কেইটা কঁঠাল ৰৈ গ'ল?



**সমাধান ঃ**

| | |
|---|---|
| হাটলৈ কঁঠাল নিছিল | ২ ৪ ০টা |
| কঁঠাল বেচিলে | ১ ৭ ০টা |

সেয়েহে ৰৈ যোৰা কঁঠালৰ সংখ্যা হ'ব (২৪০ - ১৭০) টা

এতিয়া, ২৪০ - ১৭০ কিমান হ'ব চাওঁ আহা।

**১ম কাম ঃ** এককৰ স্থানৰ অংকৰ বিয়োগ কৰিলে হ'ব ০ এক - ০ এক = ০ এক

| | | শ | দ | এ | |
|---|---|---|---|---|---|
| হাটলৈ কঁঠাল নিছিল | | ২ | ৪ | ০ | টা |
| কঁঠাল বেচিলে | - | ১ | ৭ | ০ | টা |
| ৰৈ যোৰা কঁঠালৰ সংখ্যা | | | | ০ | টা |

**২য় কাম ঃ** দহকৰ স্থানৰ অংকৰ বিয়োগ। ৪ দহৰ পৰা ৭দহ বিয়োগ কৰিব নোৱাৰি। সেয়েহে শতকৰ ঘৰৰ পৰা ১ শ বা ১০ দহ আনিব লাগিব। তেতিয়া শতকৰ ঘৰত থাকিব ২শ - ১ শ = ১শ। এতিয়া আমি দহকৰ ঘৰত পাম ১ শ = ১০ দহ আৰু দহকৰ ঘৰৰ ৪ দহ মিলি হ'ব ১০ দহ + ৪ দহ = ১৪ দহ। ১৪ দহৰ পৰা ৭ দহ বিয়োগ কৰিলে আমি পাম ৭ দহ।

| | | শ | দ | এ | |
|---|---|---|---|---|---|
| হাটলৈ কঁঠাল নিছিল | | (১) ~~২~~ | (১)৪ | ০ | টা |
| কঁঠাল বেচিলে | - | ১ | ৭ | ০ | টা |
| ৰৈ যোৰা কঁঠালৰ সংখ্যা | | | ৭ | ০ | টা |

**৩য় কাম ঃ** শতকৰ স্থানৰ অংকৰ বিয়োগ। শতকৰ ঘৰত আছে ১শ। সেয়ে আমি শতকৰ ঘৰত বিয়োগ কৰিলে পাম ১শ - ১শ = ০ শ

| | | শ | দ | এ | |
|---|---|---|---|---|---|
| হাটলৈ কঁঠাল নিছিল | | (১) ~~২~~ | (১)৪ | ০ | টা |
| কঁঠাল বেচিলে | - | ১ | ৭ | ০ | টা |
| বৈ যোৱা কঁঠালৰ সংখ্যা | | ০ | ৭ | ০ | টা |

**এতেকে বৈ যোৱা কঁঠালৰ সংখ্যা হ'ব ২৪০ - ১৭০ = ৭০ টা কঁঠাল**

## বিয়োগ কৰা

(ক)
```
  ১ ৪ ৯
-   ৫ ৪
-------
    ৯ ৫
-------
```

(খ)
```
  ৪ ৪ ৫
- ২ ৭ ৩
-------

-------
```

(গ)
```
  ৪ ৮ ৮
- ১ ৯ ৫
-------

-------
```

(ঘ)
```
  ৫ ২ ৬
- ৪ ৫ ৫
-------

-------
```

(ঙ)
```
  ৫ ৪ ০
- ২ ৪ ৮
-------

-------
```

(চ)
```
  ৬ ৮ ৭
- ১ ৯ ৩
-------

-------
```

(ছ)
```
  ৫ ৪ ৩
- ৪ ৬ ৯
-------

-------
```

(জ)
```
  ৪ ৪ ০
- ২ ৬ ৯
-------

-------
```

(ঝ)
```
  ৬ ২ ২
- ৫ ৭ ২
-------

-------
```

## মুখে মুখে বিয়োগ কৰোঁ আহা

৮৬ - ৭৪ = ..................

৪৯ - ৪৯ = ..................

৭২ - ০ = ..................

২০০ - ১০০ = ..................


৫০ - ৪৫ = ..................

৭০ - ৬০ = ..................

৬৫ - ৫৫ = ..................

৩৫৫ - ২৫৫ = ..................

কোন বাটেৰে গ'লে মইনাই পাৰ্কত খেলিবলৈ পাব?




**শিক্ষকলৈ নিৰ্দেশনা ঃ-** ছাত্ৰ-ছাত্ৰীসকলক বিয়োগবোৰ কৰি শুদ্ধ উত্তৰৰ মতে পাৰ্কখনলৈ আগবাঢ়ি যাবলৈ চেষ্টা কৰিবলৈ দিব।